৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

৪ আহাৰ, ১৯৪৭ শক ■ বুধবাৰ, ৯ জুলাই, ২০২৫ ■ Asom Aditya, Dibrugarh, Wednesday, July 9, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প

## কানৈত ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন পৰিষদৰ বৈঠক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ জুলাই ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ ইতিহাসত আজিৰ দিনটো এক স্মৰণীয় দিন হৈ ৰ'ব। চলিত বৰ্ষৰ ১৭ এপ্ৰিলত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ পিছত আজি পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰথমখন অধ্যয়ন পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ বিৰাজ দত্তই আঁত ধৰা অধ্যয়ন পৰিষদৰ প্ৰথমখন বৈঠকত সভাপতিত্ব কৰে বিভাগৰ মুৰব্বী তথা ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যয়ন পৰিষদৰ অধ্যক্ষ ড০ লামখ'লাল ডঙ্গেলে। সভাৰ প্ৰথম কাৰ্যসূচী হিচাপে অধ্যয়ন পৰিষদৰ প্ৰতিগৰাকী নিমন্ত্ৰীত সদস্যক বিভাগৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচাৰে উষ্ম আদৰণী জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই তেওঁৰ আদৰণী ভাষণ প্ৰসংগত উল্লেখ কৰে যে কানৈ মহাবিদ্যালয়ৰ ইতিহাসত আজিৰ এই দিনটো চিৰস্মৰণীয় হৈ ৰ'ব। স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ পিছত কানৈ মহাবিদ্যালয়ে শৈক্ষিক দিশৰ উৎকৰ্ষ সাধনৰ কাৰণে বিভিন্ন প্ৰকাৰৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে প্ৰতিটো বিভাগৰ অধ্যয়ন পৰিষদ গঠন কৰি নিজা পাঠ্যক্ৰম প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীসকলক এক স্বকীয়তা প্ৰদান কৰাৰ প্ৰচেষ্টাৰে আজিৰে পৰা বিভিন্ন বিভাগৰ অধ্যয়ন পৰিষদৰ বৈঠক অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। এই ক্ষেত্ৰত ৰাজনীতি বিজ্ঞান বিভাগে গ্ৰহণ কৰা প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে নিজা পাঠ্যক্ৰমৰ জৰিয়তে কানৈ মহাবিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰলৈ এক অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডীন, ছ'চিয়েল ছায়েঞ্চ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড০ ডলী ফুকনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ মনোনীত প্ৰতিনিধি হিচাপে থাকি বিভিন্ন শৈক্ষিক বিষয়ৰ ওপৰত আলোকপাত কৰাৰ লগতে কোন বিলাক বিষয়ৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব তাৰ বিষয়ে বিস্তৃত ৰূপত আলোকপাত কৰে। সমান্তৰালভাৱে ড০ ফুকনে ৰাজনীতি বিজ্ঞান বিভাগৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰচলিত আৰ্হি আৰু কানৈ মহাবিদ্যালয়ে প্ৰস্তুত কৰি উলিওৱা শৈক্ষিক পৰিষদৰ নিয়মাৱলী অৱলম্বন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰিব পৰাকৈ পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত বিষয় বিশেষজ্ঞ হিচাপে উপস্থিত থাকে ডিগবৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী ড০ জিতু বৰা আৰু অনলাইন যোগে উপস্থিত থাকে তিনিচুকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড০ ৰশ্মি দত্ত। উদ্যোগিক আৰু আনুষংগিক খণ্ডৰ মনোনীত সদস্য হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলাৰ কাঠফুলাৰ বিশেষজ্ঞ তথা উদ্যোগী কৃষ্ণ শইকীয়া। উক্ত সভাত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, সহকাৰী সদস্য সচিব ড০ নিতুমণি শইকীয়া, পৰীক্ষা নিয়ন্ত্ৰক ড০ মৃদুল শৰ্মা, ৰাজনীতি বিজ্ঞানৰ জ্যেষ্ঠ অধ্যাপিকা ড০ নিৰ্মালী পেগু, অধ্যাপক শিৱনাথ চুতীয়া উপস্থিত থাকে। সভাৰ শেষত বিভাগৰ মুৰব্বী ড০ লামখ'লাল ডঙ্গেলে সভাত উপস্থিত থকা প্ৰতিগৰাকী সদস্যক ধন্যবাদ আৰু শলাগ জ্ঞাপন কৰে। উল্লেখ্য যে মহাবিদ্যালয়ৰ চিন স্বৰূপে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই অধ্যয়ন পৰিষদৰ নিমন্ত্ৰীত প্ৰতিগৰাকী সদস্যক একোটাকৈ কিতাপৰ টোপোলা প্ৰদান কৰে।




## আৰ্ট প্লেয়াছ ছ'চাইটিৰ প্ৰতিষ্ঠা দিৱসৰ সামৰণি

**ডিব্ৰুগড়, ৮ জুলাই ঃ** অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ এক অনবদ্য অৱদান আগবঢ়োৱা ডিব্ৰুগড় আৰ্ট প্লেয়াছ ছ'চাইটিৰ প্ৰতিষ্ঠা দিৱসটি 'ওপজা দিনৰ সুবাস' শীৰ্ষক এক বাৰেবৰেণীয়া অনুষ্ঠান যোৱা ৭ জুলাই তাৰিখে আমোলাপট্টি ...

কুমুদ দাস আৰু মনোজ কুমাৰ বৰুৱাই। পৰৱৰ্তী সময়ত কেইটিমান সুমধুৰ গীত পৰিৱেশন কৰে অনাতাঁৰ শিল্পী স্মৃতি ৰেখা বৰদলৈ, জ্যোতিময় বৰুৱা, নীলিমা বৰদলৈ, ৰূপনন্দা দত্ত, বাসৱী ভট্টাচাৰ্য, ঋতুপৰ্ণা চাংকাকতি, মল্লিকা দাস আদিয়ে। গীতৰ অনুষ্ঠানৰ মাজতে ময়ুৰাখী বৰুৱাৰ নৃত্য, মনোজ কুমাৰ বৰুৱাৰ আবৃত্তি, অসীম দুৱৰা, ৰূপজ্যোতি দুৱৰা আৰু স্বপীল দুৱৰাৰ সুৰ সমলয়ে দৰ্শকক আপ্লুত কৰে। বাদ্য সংগতকাৰীসকল আছিল বকুল দাস, অসীম দুৱৰা, জিতু বৰঠাকুৰ আৰু বিনন্দ কাকতি। ওপজা দিনৰ সুবাসৰ এই অনুষ্ঠানটিৰ আঁত ধৰে ড০ উত্তৰা দুৱৰা আৰু মনোজ কুমাৰ বৰুৱাই।